লৌহিত্য সাহিত্য সেতু: সহযোগী বিদ্বানৰ দ্বাৰা পুনৰীক্ষিত অৰ্ধবাৰ্ষিক দ্বিভাষিক ই-আলোচনী
বৰ্ষ: ২; সংখ্যা: ২; জানুৱাৰী-জুন, ২০২১

# মৈথিলীচৰণ গুপ্তৰ সাহিত্যিক অৱদান : এক দৃষ্টিপাত

✍ উৎপল ডেকা

স্বতন্ত্ৰতা প্ৰাপ্তিৰ আগত যি কেইগৰাকী লেখকে হিন্দী কথা সাহিত্যত এক নতুন দিশৰ সূচনা কৰিছে সেই সকলৰ ভিতৰত মৈথিলীচৰণ গুপ্ত অন্যতম। মৈথিলীচৰণ গুপ্ত হৈছে দ্বিবেদী যুগৰ এগৰাকী প্ৰখ্যাত কবি। ইয়াৰ লগতে তেওঁ নাটক,অনুবাদ আদি সাহিত্যৰাজিৰে হিন্দী সাহিত্যৰ ভঁৰাল চহকী কৰি থৈ গৈছে। ১৮৮৬ চনৰ ৩ আগষ্টত উত্তৰ প্ৰদেশৰ ঝাঁছী জিলাৰ চিৰগাঁৱত জন্মগ্ৰহণ কৰা এইগৰাকী প্ৰথিতযশা সাহিত্যিকৰ সৰুৰে পৰাই সাহিত্যৰ প্ৰতি প্ৰবল আকৰ্ষণ আছিল। হিন্দী, সংস্কৃত, বাংলা, মাৰাঠী আৰু ইংৰাজী সাহিত্য তেওঁ অধ্যয়ন কৰিছিল। তেওঁ আজীৱন সাহিত্যৰ উৎকৰ্ষ সাধনত ব্ৰতী হৈছিল। সাহিত্যৰ প্ৰতি নিৰন্তৰ সেৱা আগবঢ়োৱাৰ বাবে ভাৰত চৰকাৰে ১৯৫৪ চনত তেওঁক পদ্মভূষণ উপাধিৰে সন্মানিত কৰে। তেওঁৰ সৃষ্টিৰাজি তলত উল্লেখ কৰা হ'ল-

**কাব্য:** সাকেত(মহাকাব্য), যশোধৰা(মহাকাব্য), ৰংগ মে ভংগ, জয়দ্ৰথ বধ, শকুন্তলা, বিকট ভট, গুৰুকুল, কিসান, পঞ্চবটী, সৈৰন্ধ্ৰী, বক সংহাৰ, সিদ্ধৰাজ, ভাৰত-ভাৰতী, পঞ্চবটী, দ্বাপৰ, সিদ্ধৰাজ, জয়ভাৰত, যুদ্ধ, ঝংকাৰ, বকসংহাৰ, বিষ্ণুপ্ৰিয়া, উৰ্মিলা।

**নাটক:** চন্দ্ৰহাস, তিলোত্তমা, অনঘ।

**অনুদিত ৰচনা:** স্বপ্নবাসব দত্তা, মেঘনাথ বধ, বিৰহিণী ব্ৰজাংগনা, পলাচী কা যুদ্ধ, ৰুবায়াত উমৰ খৈয়াম কী ৰুবাইয়াঁ।

তদুপৰি কবিতাসমূহৰ সংকলনক ‘উচ্ছবাস’ আৰু পত্ৰ সমূহৰ সংকলনক ‘পত্ৰাৱলী’ নামেৰে প্ৰকাশ কৰি উলিয়াইছিল।

মৈথিলীচৰণ গুপ্ত বহুমুখী প্ৰতিভাৰ অধিকাৰী আছিল। তেওঁ সাহিত্যৰ বিভিন্ন বিধা অনুসৰি বিভিন্ন ধৰণৰ সাহিত্য ৰচনা কৰিছিল। গুপ্তৰ কবিতাত ৰাষ্ট্ৰীয় ভাবনাৰ এখন স্পষ্ট ছবি দেখিবলৈ পোৱা যায়। দেশৰ গৌৰৱ গান, দেশৰ সমৃদ্ধ সংস্কৃতি, সেই

সময়ৰ সাম্প্ৰতিক সমস্যাসমূহ তেওঁৰ কাব্যত আগস্থান পাইছিল। 'ভাৰত-ভাৰতী' কাব্যত দেশৰ সমস্যাসমূহৰ প্ৰতি ক্ষোভ প্ৰকাশ কৰি গুপ্তই দেশৰ অতীতক অত্যন্ত গৌৰৱ আৰু শ্ৰদ্ধাৰে সুঁৱৰি কৈছে যে ভাৰত শ্ৰেষ্ঠ আছিল, শ্ৰেষ্ঠ হয় আৰু সদায় শ্ৰেষ্ঠ হৈয়ে থাকিব। কবিতাৰ ভাষাত একেখিনি কথাই এনেদৰে প্ৰকাশি উঠিছে-

"ভূলোক কা গৌৰৱ, প্ৰকৃতি কা পুণ্য লীলা স্থল কহাঁ?

ফৈলা মনোহৰ গিৰি হিমালয় ঔৰ গংগাজল কহাঁ?

সম্পূৰ্ণ দেশো সে অধিক কিস দেশ কা উৎকৰ্ষ হে?

উসকা কি জো ঋষি ভূমি হে, বহ কৌন, ভাৰতবৰ্ষ হে।"

তেওঁৰ চৰ্চিত কাব্য 'ভাৰত-ভাৰতী'ত কেৱল ভাৰতবৰ্ষৰ অতীতৰ গুণগানেই নহয় সেই সময়ৰ সমস্যা, দুৰ্দশাৰ ছবিও স্পষ্ট ৰূপত তুলি ধৰিছে। তেওঁৰ 'কিষাণ' নামৰ কবিতাত খেতিয়কসকলৰ দুৰ্দশাক্লিষ্ট জীৱনৰ ছবি সুন্দৰভাৱে জনমানসত তুলি ধৰিছে। ১৯১২ চনত প্ৰকাশিত 'ভাৰত-ভাৰতী' কাব্যই সমসাময়িক সমাজ-জীৱনৰ এখন বাস্তৱ ছবি প্ৰভাৱশালী ৰূপত দাঙি ধৰিবলৈ সক্ষম হৈছিল । বিশেষকৈ ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ সময়ত, সেই কাৰণে মহাত্মা গান্ধীয়ে মৈথিলীচৰণ গুপ্তক 'ৰাষ্ট্ৰকবি' ৰূপে আখ্যায়িত কৰে।

গুপ্তৰ সাহিত্যৰ আন এটা গুৰুত্বপূৰ্ণ দিশ হ'ল- নাৰীৰ সংবেদনশীলতা। ইতিহাসৰ পাতত ভাৰতীয় নাৰীসকল কিদৰে উপেক্ষিত হৈ ৰ'ল সেই মৰ্মস্পৰ্শী ঘটনাবোৰ কবিতাৰ যোগেদি তেওঁ সুন্দৰভাৱে প্ৰকাশ কৰিছে। যশোধৰা, উৰ্মিলা আদিৰ দৰে উপেক্ষিত নাৰীসকলক কবিতাত আগস্থান দিছে। সেই বিষয়ে তেওঁ কৈছে যে-

"অবলা জীৱন হায় তেৰী য়হী কহানী।

আঁচল মে দুধ ঔৰ আঁখো মে পানী।"

গুপ্তই যদি কেতিয়াবা নাৰীসকল বা দেশৰ খেতিয়কসকলৰ কথা ভাবে, কেতিয়াবা আকৌ প্ৰকৃতিৰ সৌন্দৰ্য্যত মোহিত হৈ আত্মহাৰা হৈ পৰে। তেওঁ 'পঞ্চৱটী' কাব্যত গভীৰ ৰাতিৰ জোনৰ কথা এইদৰে কৈছে-

"চাৰু চন্দ্ৰ কী চঞ্চল কিৰণে, খেল ৰহী হে জল থল মে।

স্বচ্ছ চাঁদনী বিছী হুই হে, অবনি ঔৰ অম্বৰ তল মে।"

মৈথিলীচৰণ গুপ্ত ৰামৰ একনিষ্ঠ ভক্ত আছিল। তেওঁ শ্ৰী সম্প্ৰদায়ত দীক্ষা লৈছিল। তেওঁ কাব্যত কৃষ্ণ আৰু ৰাম দুয়োকে স্থান দিছিল। ৰামৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰি তেওঁ এনেদৰে কৈছে-

"ৰাম তুমহাৰা বৃত্ত স্বয়ং হী কাব্য হে।
কৌই কবি বন জায়ে, সহজ সম্ভাব্য হে।"

গুপ্তৰ কাব্য তথা সাহিত্যৰ আন এটা ভাল লগা দিশ হৈছে গান্ধীবাদী বিচাৰধাৰাৰ প্ৰতিফলন। গান্ধীৰ জীৱন-দৰ্শনৰ দ্বাৰা তেওঁ বাৰুকৈয়ে প্ৰভাৱিত হৈছিল। সত্য, অহিংসা আদি গান্ধীবাদী কেতবোৰ নীতি তেওঁৰ কাব্যত স্থান পাইছিল। তেওঁৰ 'সাকেত', 'দ্বাপৰ' আদি কাব্যত গান্ধীবাদী দৰ্শন দেখিবলৈ পোৱা যায়।

এইগৰাকী প্ৰথিতযশা সাহিত্যিকে ১৯৬৪ চনৰ ১২ ডিচেম্বৰ তাৰিখে ইহলীলা সম্বৰণ কৰে।

**যোগাযোগৰ ঠিকনা:**
গুৱাহাটী, অসম
ই-মেইল: utpalkashyap123@gmail.com